# মৌন কুঁৱলিৰ খেল

খগেন শইকীয়া

পয়েট্ৰী উইডাউট ফিয়াৰ

*মৌন কুঁৱলিৰ খেল*

খগেন শইকীয়া

প্ৰথম সংস্কৰণ ২০২৬

*Mouna Kunwalir Khel*

by Khagen Saikia

*A collection of selected Assamese poems.*

© 2026 by the Author and Poetry without Fear.

All rights reserved. Except for quote in magazines, newspapers, journals, and other review, no part of this book may be reproduced, for any reason, by any means, including any method of photographic reproduction, without the permission from the Publisher.

First Edition 2026.

Published by Poetry without Fear (PWF) in Assam, 2026.
Email: poetrywithoutfear@gmail.com

Printed by Elloid Communication at Guwahati, Assam.

ISBN 978-81-984521-0-8

Price: ₹150.00

# সূচীপত্ৰ


| | |
|---|---|
| *আগকথা* | .০৫ |
| *লেখকৰ একাষাৰ* | ০.৮ |
| কলংপাৰৰ বুঢ়া শিমলু | ১ |
| সময় | ৩ |
| প্ৰতীক্ষা | ৫ |
| স্নান | ৭ |
| বুদ্ধ | ৯ |
| ইতিহাস | ১১ |
| প্ৰেম | ১৩ |
| পাহাৰটো | ১৪ |
| অনুভৱৰ শেৰালি | ১৫ |
| নক্সাৰ সূত্ৰ | ১৭ |
| অন্য এক প্ৰশ্ন | ১৯ |
| কোনে জানে | ২১ |
| চৰিত্ৰায়ণ | ২৩ |
| বান্ধৱ | ২৫ |
| সুৰুঙাৰে পাৰ হৈ | ২৭ |
| দাসত্ব | ২৯ |
| শিল্প | ৩০ |
| এই বাটেদি | ৩২ |
| ট্ৰেইনখন | ৩৪ |

নাম ৰাখিলোঁ মধুমতী ৩৬
বসন্তৰ উপত্যকাইদি ৩৮
মাতৃ ৩৯
দুখৰ ৰাতিৰ এলিজী ৪০
জীৱনৰ ভূত ৪২
নিৰ্জন ৰাতি ৪৪
মোৰ প্ৰিয় মানুহজন ৪৬
প্ৰব্ৰজন ৪৮
তোমাৰ সৈতে মোৰ ৫০
এই ঠাইখিনিতেই ৫২
পখিলাৰ ৰঙৰ দৰে বসুন্ধৰা ৫৪
এখন আকাশ এমুঠি তৰা ৬১
চিকাৰ ৬৬
আপুনি পঢ়া বাতৰিবোৰ ৬৭
কলংপাৰত ৬৯
এটা কবিতাৰ বাবে ৭১
সংলাপ ৭২
মই এটা বিজ্ঞাপন দিব খোজোঁ ৭৪
ধুমুহাজাকৰ পাছত ৭৬
আধাৰশিলা ৭৮
প্ৰান্ত ৮০
বিষে জৰজৰ ৮১
এজন বন্ধুৰ বিয়োগত ৮৩
শুকুলা পাখিৰে উৰি যোৱা চৰাইটো ৮৫
এটা গীত আৰু ফেলিক্স ট্ৰাম্প ৮৭

# আগকথা

খগেন শইকীয়া এগৰাকী আত্মসচেতন কবি। তেওঁ দীৰ্ঘ দিনৰপৰা কবিতা লিখি আহিছে। এতিয়ালৈকে তেওঁৰ আঠখন সংকলন প্ৰকাশ পাইছে। আধুনিক কবিতাৰ ঐতিহ্য আৰু পৰম্পৰাৰ সৈতে তেওঁ পৰিচিত। কবিতাৰ ভাষা, শৈলী আৰু বিষয়বস্তু সম্পৰ্কে তেওঁৰ ধাৰণা স্পষ্ট। কাব্য-চৰ্চাৰ ক্ষেত্ৰত কোনো কবিক তেওঁ আদৰ্শ হিচাপে লোৱা যেন ধাৰণা নহয়। অৱশ্যে আৰম্ভণিৰ কবিতাত চল্লিছৰ দশকৰ সমাজবাদী চিন্তাধাৰাৰ কবিসকলৰ ভাব-ভাষাৰ অনুৰণন শুনিবলৈ পোৱা যায়। কাব্য-কৌশলৰ বিপৰীতে বিষয়বস্তুৰ আনুভূতিক প্ৰকাশৰ প্ৰতি তেওঁৰ আগ্ৰহ বেছি। আধুনিক কবিসকলে কবিতাৰ ভাষাক জনগণৰ মুখৰ ভাষাৰ ওচৰ চপোৱাৰ কথা কয়। কিন্তু কবি শইকীয়াই দৈনন্দিন জীৱনত অপ্ৰচলিত আৰু আচহুৱা শব্দৰো প্ৰয়োগ কৰে। তেনে প্ৰয়োগে কেতিয়াবা পঢ়ুৱৈক বিপদত পেলোৱাৰ শংকাও থাকে। যেনে— "সংগীতৰ স্বপ্ন-অৰ্ক"; "টিলিঙাৰ শব্দ শশাংক"; "আহত দিনৰ দুলড়ি"; "আৰ্জৱ চেতনাবোৰক আশিস দিওঁ মই"; "হৃদয় উত্তাপৰ বাসন্তী কাদম্বিনী" ইত্যাদি। অৱশ্যে "অন্তঃসত্ত্বা সপোন"; "শব্দবোৰ মন-স্পৰ্শী"; "কেইটামান শ্ৰীহীন শব্দৰ দৌৰাত্ম্য"; "জীৱনীশক্তিৰ যজ্ঞত আহুতি দি" আদি প্ৰকাশভংগীয়ে কবি যে একে সময়তে ভাষাৰ অপৰিমেয় সম্ভাৱনাক আৱিষ্কাৰ কৰাৰ প্ৰতিও আগ্ৰহী সেই ইংগিতো দিয়ে।

সৰ্বসাধাৰণৰ চেতনাৰ স্তৰতকৈ কবিসকলৰ চেতনাৰ স্তৰ অলপ হ'লেও ওপৰত। তেওঁলোক সৰ্বসাধাৰণতকৈ অধিক সংবেদনশীল আৰু অনুভূতিপ্ৰৱণ। প্ৰকৃতি আৰু সমাজজীৱনক তেওঁলোকে সূক্ষ্মভাৱে নিৰীক্ষণ কৰিব পাৰে। জীৱন আৰু জগতক দাৰ্শনিক দৃষ্টিৰে চোৱা আৰু তাৰ ৰহস্য উন্মোচনৰ প্ৰতিও তেওঁলোক সদা উৎসুক। সমাজৰ এজন হিচাপে তেওঁলোক চকুৰ আগত ঘটি থকা অন্যায়-অনীতি, শোষণ-বৈষম্য, হিংসা-অসূয়াৰ প্ৰতি সদা সোচ্চাৰ। খগেন শইকীয়া ইয়াৰ ব্যতিক্ৰম নহয়। তেওঁ চৌপাশৰ পৰিৱেশ,

প্ৰকৃতি, মানুহ আৰু সমাজজীৱনৰ এগৰাকী সূক্ষ্ম আৰু সজাগ পৰ্যৱেক্ষক। তেওঁৰ 'চৰিত্ৰায়ণ' শীৰ্ষক কবিতাত মানুহৰ জীৱনটোক মুখা পিন্ধি কৰা অভিনয়ৰ সৈতে তুলনা কৰা হৈছে। মানুহ নিজৰ চৰিত্ৰ ৰূপায়ণত ইমানেই মগ্ন হৈ পৰে যে কোনখন মুখ কোনখন মুখা তাক চিনাই কঠিন হৈ পৰে—

"এখন মুখা, অন্য এখন মুখ
শব্দৰ জলক্ৰীড়াত তেল-পিছল চৰিত্ৰায়ণৰ মুখ
চিনিব নোৱাৰি মুখা আৰু মুখ।"

মানৱেতিহাস কম-বেছি পৰিমাণে প্ৰব্ৰজনৰে ইতিহাস। কিন্তু আধুনিক ৰাষ্ট্ৰব্যৱস্থাত প্ৰব্ৰজন এক অনাকাংক্ষিত পৰিঘটনা। ভাষা, সংস্কৃতি, ধৰ্ম আৰু জীৱন-জীৱিকাৰ বাবে প্ৰব্ৰজনক প্ৰত্যাহ্বান বুলি ভবা হয়—

"যি প্ৰব্ৰজনে মোক একালত আনন্দ দিছিল
সমিলমিলৰ দুৱাৰ মুকলি কৰিছিল,
সেই প্ৰব্ৰজন এতিয়া পীড়াদায়ক।
মোৰ সন্মুখত থিয় হ'ল
ভূগোলৰ পৰিধি আৰু ৰাষ্ট্ৰীয় ধাৰণা।"

'সময়' শীৰ্ষক কবিতাত সময়ক নিৰ্বিকাৰ, অনুকম্পাহীন বুলি কোৱা হৈছে। 'ইতিহাস' শীৰ্ষক কবিতাত ইতিহাস নিজে এক বিষয়বস্তু—

"সাধু যেনেই লাগে অতীতটো
যদিও ইতিহাস হ'ব পাৰে মানুহৰ গৰ্বিত দৃষ্টিৰ নক্ষত্ৰ
আৰু হ'ব পাৰে আকাশৰ তলত উদাসী বৰণ"

ইতিহাসৰ অভিজ্ঞতা সদায় সুখদায়ক নহয়। ই কেতিয়াবা মানুহক বিস্ময়-বিমূঢ় কৰে, আন কেতিয়াবা ক্ৰোধিত। 'আপুনি পঢ়া বাতৰিকাকতবোৰ' শীৰ্ষক কবিতাত সাম্প্ৰতিক সময়ত একাংশ সংবাদমাধ্যমে কেনেকৈ স্বধৰ্ম পালনত ব্যৰ্থ হৈছে তাৰ সমালোচনা আছে। 'তোমাৰ সৈতে মোৰ' সংকলনটোৰ এটা সুলিখিত কবিতা। কবিতাটোৰ বিষয়বস্তু হ'ল সৃষ্টি আৰু ধ্বংস এই দুই বিপৰীতমুখী শক্তিৰ মাজত চলি থকা নিৰন্তৰ সংঘৰ্ষ। কবিতাৰ কণ্ঠস্বৰ ইয়াত

ধ্বংস-প্ৰতিৰোধী শক্তি—

“মই ৰুই দিওঁ, তুমি উভালি যোৱা
মই শইচ সোণোৱালী কৰোঁ,
তুমি গৰকি যোৱা
মই গঢ়ি যাওঁ, তুমি ভাঙি যোৱা।”

‘মোৰ প্ৰিয় মানুহজন’ শীৰ্ষক কবিতাত বৰ্ণিত প্ৰিয় মানুহজন হ’ল বিজ্ঞানী এলবাৰ্ট আইনষ্টাইন। আনহাতে ‘সংলাপ’ শীৰ্ষক কবিতাত মহাত্মা গান্ধীৰ প্ৰসংগই স্থান পাইছে। ‘বুদ্ধ’ শীৰ্ষক কবিতাত ইতিহাস-চেতনা প্ৰকাশ পাইছে। ‘প্ৰেম’ কবিতাত প্ৰেমৰ সংজ্ঞাৰ সন্ধান কৰিছে। ‘কলংপাৰত’ শীৰ্ষক কবিতাৰ বিষয়বস্তু স্মৃতি আৰু প্ৰেম। কলংপাৰত কবিতাৰ কণ্ঠস্বৰৰ অধিকাৰীয়ে কোনো নাৰীক লগ পাইছিল। এতিয়া সেই স্মৃতি ধূসৰিত। ‘পখিলাৰ ৰঙৰ দৰে বসুন্ধৰা’ আৰু ‘এখন আকাশ এমুঠি তৰা’ হ’ল কিছুমান চুটি কবিতাৰ সমষ্টি। আনুভূতিক তীব্ৰতাই চুটি কবিতাখিনিক ভাবঘন আৰু গীতিধৰ্মী কৰি তুলিছে।

খগেন শইকীয়াৰ ইতিপূৰ্বে প্ৰকাশিত সংকলনবোৰৰ মাজৰপৰা এই কবিতাখিনি বাছনি কৰা হৈছে। ইয়াত স্থান পোৱা বহুকেইটা কবিতাত তেওঁৰ কবি-প্ৰতিভা প্ৰকাশ পাইছে।

সংকলনটোৱে পাঠকৰ সমাদৰ পাব বুলি আশা কৰিলোঁ।

প্ৰকল্প ৰঞ্জন ভাগৱতী
ডিব্ৰুগড়, অসম

# লেখকৰ একাষাৰ

এটা সময় আছিল মই নিজকে ধন্য মানিছিলোঁ। শিল্পী প্ৰণৱ বৰুৱা দেৱে মোক উলিয়াই আনিছিল। শ্ৰদ্ধেয় যজ্ঞেশ্বৰ শৰ্মা ছাৰৰ আশীৰ্বাদ পাইছিলোঁ বৰুৱাদাৰ যোগেৰে। এখন সৰু কিতাপত মোৰ এটা স্কেচ্ছো আঁকিছিল। 'বসন্তৰ উপত্যকাইদি' শীৰ্ষক কবিতাটোৰ আধাৰত এখন ছবিও আঁকি থৈ গৈছে। ইয়াৰ পিছত মোক আশীৰ্বাদ দিছিল অধ্যক্ষ প্ৰদীপ শইকীয়া ছাৰ আৰু উপাধ্যক্ষ ৰবীন্দ্ৰচন্দ্ৰ বৰা ছাৰে। বৰা ছাৰে কেইবাখনো কবিতাপুথিৰ আলোচনা কৰি গৈছে। এইবোৰত বন্ধু সুৰেন কুমাৰ বৰা আছেই।

এইসকল লোকে সংসাৰৰপৰা বিদায় লৈছে। মই অকলশৰীয়া হ'লোঁ। শুভাকাংক্ষী হিচাপে ড° সঞ্জীৱ কুমাৰ বৰকাকতি আৰু শ্ৰীযুত কুমুদ ৰঞ্জন দাস এতিয়াও আছে। জীৱনৰ গতি সলনি হ'ল। কবিতা লিখা মনটো শুকাবলৈ লৈছে। তেনেতে আৱিৰ্ভাৱ শ্ৰীযুত প্ৰকল্প ৰঞ্জন ভাগৱতীৰ। সকলোৰে পৰিচিত ব্যক্তি। তেওঁৰ বাবেই কবিতা মাজে মাজে লিখিব লগা হ'ল। এই সংকলনখনৰ পৰিকল্পনা কৰাজন প্ৰকল্প ৰঞ্জন ভাগৱতীহে। মোক কবি ৰূপত দেখিবলৈ যিকেইগৰাকী ব্যক্তিয়ে আশা কৰিছিল তেওঁলোকক শ্ৰদ্ধা নজনালে অকৃতজ্ঞ নহ'ম নে? অকৃতজ্ঞতাৰ বোলে প্ৰায়শ্চিত্ত নাই, মহাভাৰতত আছে। দুজনকৈ স্বনামধন্য ব্যক্তি শ্ৰীযুত (ড°) আনন্দ বৰমুদৈ ছাৰ আৰু শ্ৰীযুত ৰাজীৱ বৰা দেৱে কবিতাপুথিখনৰ সম্পৰ্কত তেওঁলোকৰ মূল্যৱান বিচাৰ দাঙি ধৰি মোক অতিশয় উৎসাহিত কৰিলে আৰু পথৰ সন্ধান দিলে। তেওঁলোক দুয়োজনকে মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিলোঁ।

খগেন শইকীয়া
নগাঁও

# কলংপাৰৰ বুঢ়া শিমলু

আত্মৰসিক তুমি বুঢ়া শিমলু
কলংপাৰৰ তুমি জীৱন-চেতনাৰ তৰী,
পাৰাপাৰহীন স্বপ্নই তোমাক আবৃত কৰে কদমফুলৰ দৰেই
তুমি হৈছা সময়ৰ সোৱাদ
তুমি জীৱন্ত বৈভৱ আৰু হৃদয়-প্ৰসাদ
তোমাৰ শক্তি আৰু প্ৰণয়ত অনুৰণিত আজিও
কলঙৰ জীপাল মঙহ।

তুমি এক হৃদয়স্পৰ্শী হাঁহি, তুমি এক কৰুণা
জীৱনৰ আলোক প্ৰভাতত তোমাৰ সৈতে গীত গাওঁ আমি
তুমিয়েইতো সময় পখিলীক সজাই থৈছা চাওঁতালী গীতেৰে
বা টোকাৰী গীতেৰে আমাৰ বাবে,
তোমাৰ অমৃত বিন্দুৰ মাজত
আমাৰ চেতনাৰ নীলাভ চকুলো।

তুমি এক স্নেহময়ী অতুল ছবি, শ্যামলী ঋতু
প্ৰৌঢ়ত্বৰ বেদনাই তোমাক স্পৰ্শ কৰা নাই
তুমি প্ৰেমৰ আকৰ, আমাৰ আত্মৰতি ক্ৰন্দনৰ সাধুকথাৰ কুকি।
কৈশোৰ, কৌমাৰ্যৰ বা যৌৱন বা প্ৰৌঢ়ত্বক
সময়ৰ দোলাত আলফুলে তুমিয়েইতো দি থৈছা শেৱালি সংগীত।

তোমাৰ কাযেদিয়েই পাৰ হ'ল কতজন দীনদুখী
হাতত জাকৈ বা জাল, কোৰ আৰু নাঙলৰ মানুহ
ওৰণিৰ তলত লুকাল শুকান বগৰীৰ দৰেই ওঁঠ
ঘামত বিলীন হ'ল সধৱাৰ সেন্দূৰৰ ফোট

ৰ'দে-বৰষুণে হেলাই-হেঁপাই তোমাৰ কাষেদিয়েই
পাৰ হৈছিল ঘুনুচা পোহাৰী।

তোমাৰ কাষেদিয়েই পাৰ হ'ল বহুতো সজ্জন, ঋষি বা তাপস
দেশপ্ৰেমিক বীৰ, সংস্কৃতিৰ ঢুলীয়া, প্ৰেমৰ কবি
তুমিয়েইতো দিছিলা আশ্ৰয় চামে চামে, ডালে ডালে
সৃষ্টিৰ অনুপম বিহগকুলক।
তুমি এক সম্ভ্ৰম, দুখৰ দিনৰ বাবে এগছি বন্তি
আৰু কবিতাৰ দৰেই জীৱন সময়ৰ সোৱাদ।

তুমি হ'লা অৱচেতনৰ পৰা চেতনলৈ সমগ্ৰ
জড়তাৰ পৰা ছন্দোময় গীতলৈ ব্ৰহ্মাণ্ড
হাই-উৰুমিৰ পৰা নিৰ্জনতাৰ প্ৰশান্ত বুকুলৈ
মানৱতাৰ নিশ্ছিদ্ৰ কোমলতাৰ পৰা
সৰিয়হ ফুলাৰ বতৰলৈকে তুমি একাত্ম,
তোমাৰ কৰুণাৰ ছাঁত আকাশৰ তৰাৰ দৰেই জিলিকে
আমাৰ সৃষ্টিৰ বিশাল বৈদুৰ্য
তোমাৰ ৰূপ আমাৰ মাতৃৰ দৰেই বাঞ্ছিত ৰূপেৰে ধন্য
ঋতুৰ খোজেৰে চুই গৈছা জীৱনৰ মমত্ব।

তুমি সময়ৰ সোৱাদ
আত্মৰসিক তুমি বুঢ়া শিমলু
আমাৰ ঐতিহ্যক কোলাত তুলি প্ৰদান কৰিলা
জীৱনৰূপী বন্তি।

২৯-১১-৯৯

# সময়

তোমাৰ পৰিধান কি? বিস্ময় বিতোপন
গোলাপৰ পাহিৰ দৰেই তোমাৰ ৰং
জন্মৰ দৰে উন্মুক্ত তোমাৰ চেহেৰা
তোমাৰ পাটগাভৰু চেহেৰাত অলংকাৰৰ চিকমিকনি
তুমি হৈ পৰা আলোকময় অৰুন্ধতী
অক্ষয় তুমি।

তুমি সন্ধিয়াৰ বন্তিৰ দৰেই গভীৰ আবেদন
তুমি মুকলি হৃদয়
যৌৱন বা অমৃত।

তোমাৰ কৰুণাৰ আশ্ৰিত এই ব্ৰহ্মাণ্ড
তুমি অন্নপূৰ্ণা,
তুমি অত্যুচ্চ বিৰল আনন্দ
সংগীতৰ স্বপ্ন-অৰ্ক
বলুকাত ৰূপোৱালি জোনাক।

তোমাৰ অতীত কি? তোমাৰ ভৱিষ্যৎ কি?
তুমি শূন্যতে ভাসমান অন্ধকাৰ গহ্বৰ
মানুহৰ কৰ্মই তোমাৰ ফলক
তোমাৰ পৰিচয়
তোমাৰ আয়ুস।

তুমি নিৰ্বিকাৰ, অনুকম্পাহীন
তোমাৰ ওঁঠত নাই লেশমান হাঁহি

আমাক দান দিলা জন্ম-মৃত্যু আৰু তপস্যাৰ সাজ
তোমাৰ স্থিতিত তুমিয়েই আলোক প্ৰভাত।

তুমি কিমান গভীৰ, অৱগুণ্ঠন
বিস্ময় বিতোপন।

১০-০৫-২০০০

## প্ৰতীক্ষা

ঠিকেই আছিল প্ৰতীক্ষা
বলুকাত সাজি লৈছিল টকৌপাতৰ ঘৰ
মনৰ পৰাগ সানি ঢালি দিছিল হাঁহিৰ বসন্ত
ৰক্তিম আভা, সুশোভন অৰিন্দম যাত্ৰা
জোনাক যামিনী হাঁহি দিলা সুগন্ধত
প্ৰেম আৰু স্বাধীনতা।

বোবা আত্মাই কথা ক'লে এদিন, সুগন্ধি নিৰ্যাস
অনন্ত যাত্ৰাৰ পিছত পালোঁ সভ্যতাৰ বিকাশ
ঠিকেই আছিল প্ৰতীক্ষা।

ৰং আৰু তুলিকাত ঋত্বিক ক্ষুধা
কঁপি উঠিল ধৰিত্ৰী দ্বৈত বা অদ্বৈতৰ ভাষা
ধুমুহাবিধ্বস্ত ৰাতি বাসুদেৱ পাৰ হ'ল অশান্ত নদী
সময়ত থৈ গ'ল কৃষ্ণ-সংস্কৃতি।

উঁই হাফলুত হ'ল ৰত্নাকৰ বাল্মীকি
সীৰলুত জন্ম হ'ল এক হৃদয়গন্ধী মাৰ্গ
ঠিকেই আছিল প্ৰতীক্ষা
ভক্তিৰ আঁচলেৰে মচি দিলে ব্যাধিগ্ৰস্ত মন
কান্দি উঠিল হৃদয়, নিগৰি পৰিল চকুলো।

ঠিকেই আছিল প্ৰতীক্ষা
সিদ্ধাৰ্থ বুদ্ধ হ'ল, বটজোপা বোধিদ্ৰুম হ'ল
প্ৰজ্ঞাৰ আলোড়নত আমি পান কৰিলোঁ

পীয়ূষ।
ঠিকেই আছিল প্ৰতীক্ষা
সময়ৰ বুকু কঁপাই জন্ম হ'ল শঙ্কৰ-ভাবনা।

২৬-০২-২০০০